**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 24-05-2025
**Time :** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰতিখন ৰাজ্যত কমেও এখন পৰ্যটন থলী বিকশাই তুলিবলৈ ৰাজ্যসমূহৰ প্ৰতি আহ্বান জনাইছে।
২। ডি এম কেৰ সাংসদ কানিমোঝিৰ নেতৃত্বত ৰাছিয়ালৈ যোৱা বহুদলীয়া প্ৰতিনিধি দলটোৱে আজি সকলো ধৰণৰ সন্ত্ৰাসবাদৰ প্ৰতি ভাৰতৰ শূন্য সহনশীলতাৰ নীতিৰ বিষয়ে নিজৰ স্থিতি স্পষ্ট কৰে।
৩। দক্ষতা বিকাশ আৰু উদ্যমশীলতা দপ্তৰৰ ৰাজ্য মন্ত্ৰী জয়ন্ত চৌধৰীয়ে উত্তৰ-পূৰ্বাঞ্চল এতিয়া ভাৰতৰ সীমামূৰীয়া অংশই হৈ থকা নাই বৰং দেশৰ উন্নয়ন যাত্ৰাৰ মূল কেন্দ্ৰ হৈ পৰিছে বুলি প্ৰকাশ কৰিছে।
৪। কেন্দ্ৰীয় মন্ত্ৰী ড০ মনসুখ মন্দাভিয়াই উত্তৰ-পূৰ্বাঞ্চলৰ উদিয়মান ক্ৰীড়া প্ৰতিভাৰ প্ৰসাৰৰ বাবে খেল' ইণ্ডিয়া উত্তৰ-পূব ক্ৰীড়া মহোৎসৱ প্ৰৱৰ্তন কৰাৰ কথা ঘোষণা কৰিছে।

*আৰু*

৫। বি চি চি আয়ে আসন্ন ইংলেণ্ড ভ্ৰমণৰ বাবে ভাৰতীয় টেষ্ট ক্ৰিকেট দল ঘোষণা কৰিছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গোলকীয় মান অনুযায়ী সকলো ধৰণৰ সুবিধা আৰু আন্তঃগাঁথনিৰ সৈতে প্ৰতিখন ৰাজ্যত কমেও এখন পৰ্যটন থলী বিকশাই তুলিবলৈ ৰাজ্যসমূহৰ প্ৰতি আহ্বান জনাইছে। নতুন দিল্লীত আজি নীতি আয়োগৰ পৰিচালনা পৰিষদৰ দশম বৈঠকত অধ্যক্ষতা কৰি প্ৰধানমন্ত্ৰী মোদীয়ে এখন ৰাজ্য ঃ এখন গোলকীয় স্থলী বিষয়ত গুৰুত্ব আৰোপ কৰে। তেওঁ কয়, যে এনে কৰিলে পৰ্যটনথলী হিচাপে চুবুৰীয়া চহৰসমূহৰো বিকাশ সাধন হ'ব। ভৱিষ্যতমুখী চহৰ গঢ়াৰ দিশত কাম কৰাৰ আৱশ্যকতাৰ বিষয়ে উল্লেখ কৰি শ্ৰী মোদীয়ে কয়, যে দেশত ক্ষীপ্ৰতাৰে নগৰীকৰণ হৈছে। বিকাশ, উদ্ভাৱন আৰু স্থায়ীত্ব এই চহৰসমূহৰ বিকাশৰ মূল চালিকাশক্তি হোৱা উচিত বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে। উন্নয়নৰ গতি ত্বৰান্বিত কৰাৰ আৱশ্যকতাৰ বিষয়ত গুৰুত্ব আৰোপ কৰি তেওঁ কয়, যে কেন্দ্ৰ আৰু ৰাজ্যসমূহ ঐক্যবদ্ধ হ'লে আৰু টীম ইণ্ডিয়াৰ দৰে কাম কৰিলে কোনো লক্ষ্যই অসম্ভৱ নহয়। তেওঁ কয়, যে বিকশিত ভাৰত প্ৰতিগৰাকী ভাৰতীয়ৰ লক্ষ্য আৰু দেশৰ প্ৰতিখন ৰাজ্য বিকশিত হ'লে ভাৰতো বিকশিত ৰাষ্ট্ৰত পৰিণত হ'ব। এয়া ১৪০ কোটি ভাৰতীয় আকাংক্ষা বুলি শ্ৰী মোদীয়ে মন্তব্য কৰে। প্ৰধানমন্ত্ৰীয়ে লগতে কৰ্মশক্তিত মহিলাৰ অন্তৰ্ভুক্তিৰ দিশে কাম কৰিবলৈ সকলোৰে প্ৰতি আহ্বান জনায়। তেওঁ কয়, যে মহিলাসকলক কৰ্মশক্তিত অন্তৰ্ভুক্ত কৰাৰ উদ্দেশ্যে আইন আৰু নীতি যুগুতাই উলিওৱা উচিত। বৈঠকত উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্য নাথ, অন্ধ্ৰপ্ৰদেশৰ মুখ্যমন্ত্ৰী চন্দ্ৰবাবু নাইডু, হিমাচল প্ৰদেশৰ মুখ্যমন্ত্ৰী সুখবিন্দৰ সিং ছুখু, মধ্যপ্ৰদেশৰ মুখ্যমন্ত্ৰী মোহন যাদৱ আৰু ছত্তিশগড়ৰ মুখ্যমন্ত্ৰী বিষ্ণু দেৱ ছাই প্ৰমুখ্যে ভালেসংখ্যক ব্যক্তি উপস্থিত থাকে। কেন্দ্ৰীয় শাসিত ৰাজ্যসমূহৰ উপ-ৰাজ্যপাল, কেন্দ্ৰীয় মন্ত্ৰী আৰু নীতি আয়োগৰ উপাধ্যক্ষ সদস্য আৰু মুখ্য কাৰ্যবাহী বিষয়াইও বৈঠকত ভাগ লয়।

০০০০০

ডি এম কেৰ সাংসদ কানিমোঝিৰ নেতৃত্বত ৰাছিয়ালৈ যোৱা বহুদলীয়া প্ৰতিনিধি দলটোৱে আজি সকলো ধৰণৰ সন্ত্ৰাসবাদৰ প্ৰতি ভাৰতৰ শূন্য সহনশীলতাৰ নীতিৰ বিষয়ে নিজৰ স্থিতি স্পষ্ট কৰে। মস্কোত থকা ভাৰতীয় দূতাবাসত এখন যুটীয়া সংবাদমেলত সাংসদ কানিমোঝিয়ে কয়, যে পাকিস্তানৰ পৰা ভাৰতত অনুপ্ৰৱেশ কৰা সন্ত্ৰাসবাদীয়ে পেহেলগামৰ আক্ৰমণ সংঘটিত কৰিছে আৰু এই আক্ৰমণৰ দায়িত্ব স্বীকাৰ কৰা সংগঠনটোক পাকিস্তানে ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদত ৰক্ষণা-বেক্ষণা দিছে। তেওঁ কয়, যে ভাৰতে

দায়িত্বশীলভাৱে এই আক্ৰমণৰ প্ৰত্যুত্তৰ দিছে আৰু এই প্ৰত্যাক্ৰমনত অসামৰিক লোক আৰু সামৰিক ঘাটি সমূহৰ যাতে কোনো ক্ষয়ক্ষতি নহয় সেয়া সুনিশ্চিত কৰিছে।

প্ৰতিনিধি দলটোৱে ভাৰতীয় স্থিতিৰ বিশয়ে ব্যাখ্যা আগবঢ়োৱাৰ সুযোগ লাভ কৰিছে বুলি সাংসদগৰাকীয়ে উল্লেখ কৰে। প্ৰতিনিধি দলটোৱে মস্কোত থকা মহাত্মা গান্ধীৰ প্ৰতিমূৰ্তিত শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰে। ইপিনে জে ডি ইউৰ সাংসদ সঞ্জয় ঝাই নেতৃত্ব দিয়া আন এটা প্ৰতিনিধি দলে প্ৰথম পৰ্যায়ৰ জাপান ভ্ৰমণ সফলতাৰে সম্পন্ন কৰিছে আৰু দক্ষিণ কোৰিয়া অভিমুখে ৰাওনা হৈছে। দলটোৱে জাপানৰ টকিঅ'ৰ ভাৰতীয় দূতাবাসত প্ৰবাসী ভাৰতীয়সকলৰ প্ৰতিনিধিৰ সৈতে মত বিনিময় কৰে। এই সমাবেশত শ্ৰী ঝাই ২২ এপ্ৰিলত হোৱা পেহেলগামৰ সন্ত্ৰাসবাদী আক্ৰমণত পাকিস্তানৰ ভূমিকা সন্দৰ্ভত ব্যাখ্যা কৰে। তেওঁ লগতে পাকিস্তান আৰু পাকিস্তান অধিকৃত কাশ্মীৰত থকা সন্ত্ৰাসবাদীৰ ঘাটি অপাৰেচন সিন্দুৰৰ জৰিয়তে কিদৰে উৎখাত কৰা হ'ল, সেই বিষয়েও জনায়। প্ৰতিনিধি দলটোৱে ভাৰতৰ সন্ত্ৰাসবাদৰ প্ৰতি শূন্য সহনশীলতাক স্পষ্ট কৰি দি কয় যে সন্ত্ৰাস আৰু আলোচনা একেলগে আগুৱাই নাযায়, তেজ আৰু পানী একেলগে বৈ নাযায়। তেওঁলোকে ভাৰতৰ স্থিতিক জাপানৰ প্ৰতিটো কোণতে প্ৰচাৰ কৰিবলৈ প্ৰবাসী ভাৰতীয়সকলক আহ্বান জনায়।

বিজেপিৰ সাংসদ বৈজয়ন্ত পাণ্ডাৰ নেতৃত্বত আন এটা বহুদলীয় প্ৰতিনিধিৰ দল আজি বাহৰেইনত উপস্থিত হয়। দলটোৱে সকলোধৰণৰ সন্ত্ৰাসবাদৰ বিৰুদ্ধে ভাৰতৰ শূন্য সহনশীলতাক দেশখনৰ নেতৃবৰ্গৰ সন্মুখত তুলি ধৰিব। এই মুখামুখিত প্ৰতিনিধিদলটোৱে সীমান্তৰ সিপাৰৰ পৰা চলি থকা সন্ত্ৰাসবাদ সম্পৰ্কত ভাৰতৰ অনমনীয় স্থিতিৰ সন্দৰ্ভতো দেশখনক অৱগত কৰাব। সাংসদ পাণ্ডা আৰু অন্যান্যসকলক বিমান বন্দৰত বাহৰেইনত থকা ভাৰতৰ ৰাষ্ট্ৰদূত বিনোদ কে জেকবে আদৰণি জনায়। এই প্ৰতিনিধি দলটোত আছে বিদেশ সচিব হৰ্ষ বৰ্ধন শ্ৰিংলা, এ আই এম আই এমৰ সাংসদ আছাদুদ্দিন অ'ৱেইছি, ৰাজ্যসভাৰ সাংসদ ৰেখা শৰ্মা, জম্মু-কাশ্মীৰৰ প্ৰাক্তন মন্ত্ৰী গুলাম নবী আজাদ, ৰাজ্যসভাৰ সাংসদ সৎনাম সিং সান্ধু, বিজেপিৰ সাংসদ ফাংগন কন্যাক আৰু বিজেপিৰ সাংসদ নিশিকান্ত ডুবে। এই প্ৰতিনিধি দলটোৱে ছৌদি আৰব, কুৱেইট আৰু আলজেৰিয়াও ভ্ৰমণ কৰিব।

কংগ্ৰেছ সাংসদ শশী থাৰুৰৰ নেতৃত্বৰ আন এটা উচ্চ পৰ্যায়ৰ বহুদলীয় প্ৰতিনিধি দল আজি নিচেই পুৱা দিল্লীৰ পৰা ৫ খন দেশৰ কূটনৈতিক ভ্ৰমণৰ উদ্দেশ্যে ৰাওনা হৈছে। প্ৰথম পৰ্যায়ত দলটো গায়ানালৈ যাব। তাৰ পাছত ক্ৰমে আমেৰিকা যুক্তৰাষ্ট্ৰ, পানামা, ব্ৰাজিল আৰু কলম্বিয়া ভ্ৰমণ কৰিব। দিল্লীৰ পৰা ৰাওনা হোৱাৰ পূৰ্বে শ্ৰী থাৰুৰে সন্ত্ৰাসবাদৰ বিৰুদ্ধে ভাৰতৰ স্থিতি প্ৰকাশ কৰা এটা ভিডিঅ' সামাজিক মাধ্যমত আপলোড কৰে। তেওঁ এই অভিযানক শান্তি আৰু আশাৰ অভিযান হিচাপে অভিহিত কৰে।

ooooo

দক্ষতা বিকাশ আৰু উদ্যমশীলতা দপ্তৰৰ ৰাজ্য মন্ত্ৰী জয়ন্ত চৌধৰীয়ে উত্তৰ-পূৰ্বাঞ্চল এতিয়া ভাৰতৰ সীমামূৰীয়া অংশই হৈ থকা নাই বৰং দেশৰ উন্নয়ন যাত্ৰাৰ মূল কেন্দ্ৰ হৈ পৰিছে বুলি প্ৰকাশ কৰিছে। নতুন দিল্লীত আয়োজিত ৰাইজিং নৰ্থ-ইষ্ট বিনিয়োগকাৰী সন্মিলনত ভাষণ দি মন্ত্ৰীগৰাকীয়ে আজি এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে মিজোৰামে ১০০ শতাংশ সাক্ষৰতাৰ হাৰ পূৰণ কৰাৰ পৰা যুৱ প্ৰজন্মৰ উদ্যমশীলতাৰ দিশৰ পৰা অঞ্চলটোলে সমূহীয়া প্ৰচেষ্টাৰ নিদৰ্শন দাঙি ধৰিছে। তেওঁ সমগ্ৰ দেশৰ প্ৰায় এক লাখ শিক্ষাৰ্থীক বিনামূলীয়া এ আই প্ৰশিক্ষণ প্ৰদান কৰা হ'ব বুলি ঘোষণা কৰিছে। শ্ৰী চৌধৰীয়ে কয়, যে স্কিলিং ফ'ৰ ৰেডিনেছ এ আই কাৰ্যসূচীৰ অধীনত মডিউল প্ৰস্তুত কৰা হৈছে আৰু শীঘ্ৰেই ষষ্ঠৰ পৰা দ্বাদশ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ বাবে এই পাঠ্যক্ৰম আৰম্ভ কৰা হ'ব। এই কাৰ্যসূচীয়ে শিক্ষাৰ্থীসকলক স্ব-মূল্যায়ন, অনলাইন পৰীক্ষা, অনলাইন পাঠ্যক্ৰমৰ সুযোগ প্ৰদান কৰিব আৰু ইয়াৰ বাবে প্ৰমাণপত্ৰও লাভ কৰিব বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। শ্ৰী চৌধৰীয়ে কয়, যে শিক্ষাসহ অন্য আনুষ্ঠানিক পৰিকাঠামোসমূহত দক্ষতাৰ বিকাশৰ বিষয়টো অন্তৰ্ভুক্ত কৰা হৈছে। তেওঁ কয়, যে বিশ্ববিদ্যালয় অনুদান আয়োগে ইতিমধ্যে এই সন্দৰ্ভত নীতি-নিৰ্দেশনা জাৰি কৰিছে আৰু বিভিন্ন বিশ্ববিদ্যালয়ে এই কাৰ্যসূচী গ্ৰহণ কৰাৰ বাবে আগবাঢ়ি আহিছে। মন্ত্ৰীগৰাকীয়ে ইয়াক উদ্যোগ জগত আৰু নিয়োগকৰ্তাসকলৰ বাবে আৱশ্যকীয় চমু দক্ষতা বিকাশ পাঠ্যক্ৰমৰ সৈতে পৰিচয় হোৱাৰ সুযোগ বুলি অভিহিত কৰে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আকাশবাণীৰ যোগে প্ৰচাৰিত মন কী বাত অনুষ্ঠানৰ জৰিয়তে কাইলৈ দিনৰ ১১ বজাত দেশ-বিদেশৰ জনসাধাৰণৰ সৈতে মত বিনিময় কৰিব। এয়া হ'ব মন কি বাত অনুষ্ঠানৰ ১২২ সংখ্যক খণ্ড। এই অনুষ্ঠান আকাশবাণী আৰু দূৰদৰ্শনৰ আটাইবোৰ নেটৱৰ্কত প্ৰচাৰিত হ'ব। এই অনুষ্ঠান আকাশবাণীৰ ৱেবছাইট আৰু News on AIR ম'বাইল এপযোগেও শুনিব পৰা যাব। আকাশবাণী, ডিডি নিউজ, প্ৰধানমন্ত্ৰীৰ কাৰ্যালয় আৰু তথ্য-সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউটিউৰ চেনেল যোগেও এই অনুষ্ঠান পোনপটীয়া প্ৰচাৰ কৰা হ'ব। অনুষ্ঠানটিৰ ঠিক পাছতে আকাশবাণীয়ে ইয়াৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

ooooo

কেন্দ্ৰীয় যুৱ, পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী ড০ মনসুখ মন্দাভিয়াই উত্তৰ-পূৰ্বাঞ্চলৰ উদিয়মান ক্ৰীড়া প্ৰতিভাৰ প্ৰসাৰৰ বাবে খেল' ইণ্ডিয়া উত্তৰ-পূব ক্ৰীড়া মহোৎসৱ প্ৰৱৰ্তন কৰাৰ কথা ঘোষণা কৰিছে। নতুন দিল্লীত আজি ৰাইজিং নৰ্থ-ইষ্ট বিনিয়োগকাৰী সন্মিলনত ভাষণ দি মন্ত্ৰীগৰাকীয়ে এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে প্ৰতি বছৰে এই ক্ৰীড়া মহোৎসৱৰ আয়োজন কৰা হ'ব আৰু এই মহোৎসৱত অকল অলিম্পিকৰ খেলসমূহেই নহয়, বৰং পৰম্পৰাগত খেল-ধেমালি অন্তৰ্ভুক্ত কৰা হ'ব।

খেল' ইণ্ডিয়া ক্ৰীড়া মহোৎসৱৰ প্ৰসংশা কৰি মন্ত্ৰীগৰাকীয়ে কয়, যে এই উদ্যমে পৰৱৰ্তী ১০ বছৰত অলিম্পিকত শ্ৰেষ্ঠ প্ৰদৰ্শন আগবঢ়োৱা শীৰ্ষৰ ১০ খন আৰু অহা ২৫ বছৰত শীৰ্ষৰ ৫ খন ৰাষ্ট্ৰৰ ভিতৰত দেশৰ নাম অন্তৰ্ভুক্ত কৰাৰ লক্ষ্য পূৰণৰ পথ প্ৰসস্ত কৰিব। ভাৰতে ভৱিষ্যতে ভালেমান আন্তঃৰাষ্ট্ৰীয় প্ৰতিযোগিতাৰ আয়োজন কৰিব বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

ooooo

ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদ বি চি চি আয়ে আসন্ন ইংলেণ্ড ভ্ৰমণৰ বাবে ভাৰতীয় টেষ্ট ক্ৰিকেট দল ঘোষণা কৰিছে। শুভমন গীলক দলৰ অধিনায়কৰ আৰু ঋষভ পণ্টক উপ-অধিনায়কৰ দায়িত্ব অৰ্পণ কৰা হৈছে। বিৰাট কোহলি আৰু ৰোহিত শৰ্মাৰ টেষ্ট ক্ৰিকেটৰ পৰা অৱসৰৰ পাছত এয়া ভাৰতৰ প্ৰথমটো টেষ্ট শৃংখলা হ'ব।

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত কিছু সময়ৰ পাছত জয়পুৰৰ ছৱাই মানসিং ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত পঞ্জাব কিংছ, দেলহী কেপিটেলছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ooooo

ভাৰতৰ তাৰকা খেলুৱৈ কিদাম্বি শ্ৰীকান্তে কুৱালালামপুৰত চলি থকা মালয়েছিয়া মাষ্টাৰ্ছ বেডমিণ্টন প্ৰতিযোগিতাৰ পুৰুষৰ ছিংগলছৰ ফাইনেলত প্ৰৱেশ কৰিছে। কিদাম্বিয়ে আজি ছেমিফাইনেলত জাপানৰ য়ুশ্বি তানাকাক ২১-১৮, ২৪-২২ গেমত পৰাজিত কৰে। এই জয়ৰ জয়ৰ সুবাদত খেলুৱৈগৰাকী চলিত বছৰত কোনো আগশাৰীৰ প্ৰতিযোগিতাৰ ফাইনেলত প্ৰৱেশ কৰা প্ৰথমগৰাকী ভাৰতীয় খেলুৱৈ হিচাপে পৰিগণিত হৈছে। কিদাম্বি কাইলৈ ফাইনেলত চীনৰ লী শ্বি ফেঙৰ সৈতে অৱতীৰ্ণ হ'ব।

ooooo

সমাপ্ত